✓ কানিংহাম চাৰ্কুলাৰ কি আছিল? অসমৰ ছাত্ৰ আন্দোলনত ইয়াৰ কি প্ৰভাৱ পেলাইছিল আলোচনা কৰা।

1929 চনত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ লাহোৰ অধিৱেশনত পূৰ্ণ স্বাধীনতাৰ দাবী তুলি আইন অমান্য আন্দোলন আৰম্ভ কৰাৰ আৰু 1930 চনৰ 26 জানুৱাৰী তাৰিখটোক স্বাধীনতা দিৱস হিচাপে পালন কৰা সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে এই আন্দোলন চলাই নিয়াৰ কৰ্তৃত্ব মহাত্মা গান্ধীক দিয়া হয়। গান্ধীজীয়ে 1930 চনৰ 12 মাৰ্চ তাৰিখে দাণ্ডি যাত্ৰাৰ জৰিয়তে লোণ আইন ভংগ কৰি আইন অমান্য আন্দোলন আৰম্ভ কৰে। চৰকাৰে গান্ধী, নেহৰু প্ৰমুখ্যে প্ৰধান নেতৃবৃন্দক আটক কৰে। চৰকাৰৰ এই নীতিৰ বিৰুদ্ধে সমগ্ৰ দেশ ব্যাপী প্ৰবল প্ৰতিবাদৰ জোৱাৰ উঠে।

আইন অমান্য আন্দোলন আৰু অসম:

আই অমান্য আন্দোলনৰ ঢৌৱে অসমতো খলকনি তোলে। গান্ধী-নেহৰু প্ৰমুখ্যে নেতৃবৃন্দৰ আটকৰ প্ৰতিবাদত অসমৰ বিভিন্ন ঠাইত হৰতাল পালন কৰা হয়। ছাত্ৰ-ছাত্ৰী সকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। স্কুল-কলেজ আদি ত্যাগ কৰি তেওঁলোকে হৰতাল, শোভাযাত্ৰা, পিকেটিং আদিত অংশগ্ৰহণ কৰিবলৈ লয়। ছাত্ৰ-ছাত্ৰী সকলৰ এই অংশগ্ৰহণে অসমত আইন অমান্য আন্দোলনক অধিক তীব্ৰতৰ কৰি তোলে। 26 জানুৱাৰী দিনটোক অসমতো স্বাধীনতা দিৱস হিচাপে পালন কৰা হয়। তৰুণৰাম ফুকনে গুৱাহাটীৰ জুবিলী পাৰ্কত জাতীয় পতাজা উত্তোলন কৰে। তাৰপিছত সেই পাৰ্কৰ পৰা এটা প্ৰতিবাদী সমদল উলিওৱা হয়। হেমচন্দ্ৰ বৰুৱা, অক্ষয় কুমাৰ দাস, পূৰ্ণ শৰ্মা, কবি মহন্ত, সিদ্ধিনাথ শৰ্মা প্ৰভৃতি ছাত্ৰ নেতাসকলে এই আন্দোলনত বিশেষ ভূমিকা পালন কৰে। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ

Scanned with CamScanner

Scanned with CamScanner

দলে মহিলা সকলক যোগদানে অহিংস অসহযোগ আন্দোলনৰ অসমৰ মহিলা সমাজত জাগৰণ কৰি তোলে।

কামিংহাম চাৰ্কুলাৰঃ

অসমৰ ছাত্ৰসকলক সক্ৰিয় অংশগ্ৰহণে অহিংস অসহযোগ আন্দোলনক অধিক তীব্ৰতৰ কৰি তোলাৰ প্ৰতি লক্ষ্য ৰাখি এই ছাত্ৰসকলক আন্দোলনৰ পৰা আঁতৰাই ৰাখিবৰ অৰ্থে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰে। এই হিচাপে অসমৰ শিক্ষাধিকাৰ কামিংহামে ছাত্ৰ আৰু অভিভাৱকসকলক উদ্দেশ্যে এখন জাননী প্ৰকাশ কৰে। এইখনেই হ'ল কামিংহাম চাৰ্কুলাৰ। এই জাননীখনত উল্লেখ আছিল যে ছাত্ৰসকলে ৰাজনৈতিক কামত অংশগ্ৰহণ নকৰিব; শোভাযাত্ৰা, ধৰ্মঘট, ৰাজনৈতিক সভা-সমিতি আদিত অংশগ্ৰহণ নকৰিব আৰু শিক্ষা বিভাগৰ নিয়ম-নীতি আদি মানি চলিব। এই চাৰ্কুলাৰ মতে ছাত্ৰসকলে কাম কৰিব বুলি অভিভাৱকসকলে চৰকাৰক আশ্বাস দিব লাগিব

কিন্তু অসমৰ ছাত্ৰসকলে এই চাৰ্কুলাৰ মানি চলিবলৈ অসন্মতি প্ৰকাশ কৰিছিল। ফলত ঠাই ঠাইত ইয়াৰ বিৰুদ্ধে প্ৰতিবাদী সভা-সমিতি অনুষ্ঠিত হৈছিল। এনে ধৰণৰ লিখিত প্ৰতিশ্ৰুতি দিয়াতকৈ শিক্ষানুষ্ঠান ত্যাগ কৰাকেই বহুতে বিবেচনা কৰিছিল। ফলত বহুতে চৰকাৰী শিক্ষানুষ্ঠান ত্যাগ কৰিছিল। ফলত ছাত্ৰসকলৰ পঢ়া-শুনাৰ বাবে কিছুমান জাতীয় শিক্ষানুষ্ঠানৰ জন্ম দিয়া হৈছিল। গুৱাহাটীৰ কামৰূপ একাডেমী কামিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদতেই প্ৰতিষ্ঠা কৰা হৈছিল। লগতে বৰপেটা, তিনসুকীয়া, তেজপুৰ আদি ঠাইতো জাতীয় স্কুল প্ৰতিষ্ঠা কৰা হৈছিল। চৰকাৰে পাছত এই চাৰ্কুলাৰৰ কিছু চৰ্ত শিথিল কৰিবলগা হৈছিল।

Scanned with CamScanner

Scanned with CamScanner